**REGIONAL NEWS UNIT**
AKASHVANI GUWAHATI
0000000000

**Date : 13-08-2025**
**Time : 18-45 Hrs**

**ASSAMESE EVENING BULLETIN**

**::::::::::::::::::::::::::::::::::::::::::::::::**

১। ৰাজ্যিক কৰ্কট প্ৰতিষ্ঠানত ৰোগী ভৰ্তিৰ সময়ত ১০ হাজাৰ টকা আগধন হিচাপে জমা দিয়াৰ ব্যৱস্থা প্ৰত্যাহাৰ কৰিবলৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত শৰ্মাৰ পৰামৰ্শ।

২। স্বাধীনতা দিৱসৰ প্ৰাকক্ষণত ৰাজ্যজুৰি **হৰ ঘৰ তিৰংগা** কাৰ্যসূচীৰ আয়োজন।

৩। এইডছৰ বিৰুদ্ধে সজাগতা সৃষ্টিৰ বাবে কেইবাখনো জিলাত আজিৰে পৰা এইচ আই ভি বিস্তৃত আই ই চি অভিযান।

৪। নেৰানেপেৰা বৰষুণৰ ফলত ৰাজ্যৰ কেইবাখনো জিলাত পুনৰ বান পৰিস্থিতিৰ উদ্ভৱ। ***আৰু***

৫। ছাব জুনিয়ৰ ৰাষ্ট্ৰীয় বক্সিং প্ৰতিযোগিতাত অসমৰ এটা সোণসহ ৭টা পদক জয়।

০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যিক কৰ্কট প্ৰতিষ্ঠানত ৰোগী ভৰ্তি হোৱাৰ সময়ত ১০ হাজাৰ টকা আগধন হিচাপে জমা দিয়াৰ ব্যৱস্থা প্ৰত্যাহাৰ কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে। কোকৰাঝাৰৰ ছবদ্ৰাপাৰা বজাৰত বিজেপিৰ বিজয় সংকল্প সভাত অংশগ্ৰহণ কৰাৰ অন্তত সাংবাদিকে সোধা এটা প্ৰশ্নৰ উত্তৰত ড০ শৰ্মাই এই পৰামৰ্শ আগবঢ়ায়।

প্ৰতিষ্ঠানখনৰ মাচুল বৃদ্ধিৰ সিদ্ধান্তক লৈ কিছু ভুল বুজাবুজি হোৱা বুলি উল্লেখ কৰি ড০ শৰ্মাই কয় যে বৰ্ধিত মাচুল জনসাধাৰণে দিব নালাগে, আয়ুষ্মান ভাৰত আৰু আয়ুষ্মান অসম কাৰ্ডত চৰকাৰে এই ধন জমা দিব। আজি মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত এই বিষয়ে স্পষ্ট কৰা হ'ব বুলি ড০ শৰ্মাই জানিবলৈ দিয়ে।

**বাইট ঃ মুখ্যমন্ত্ৰী**

ভি চি ডি চি সন্দৰ্ভত মত প্ৰকাশ কৰি ড০ শৰ্মাই কয়, যে ভি চি ডি চিসমূহ মনোনীত নহয় নিৰ্বাচিত হ'ব লাগে। তেওঁ কয় যে নিৰ্বাচিত হ'লেহে ভি চি ডি চি সমূহত স্থানীয় লোক অন্তৰ্ভুক্ত হ'ব আৰু উন্নয়নৰ প্ৰক্ৰিয়াও ত্বৰান্বিত হ'ব। তেওঁ লগতে কয় যে ৰাজ্য চৰকাৰে ১২৫ নম্বৰ সংবিধান সংশোধনৰ প্ৰস্তাৱৰ জৰিয়তে ভি চি ডি চিসমূহৰ সংস্কাৰ সাধনৰ ব্যৱস্থা কৰিছে। সাংবাদিকৰ এটা প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীগৰাকীয়ে ট্ৰাইবেল বেল্টৰ সৈতে আপোচ কৰা নহ'ব বুলি প্ৰকাশ কৰে। ড০ শৰ্মাই কয়, যে ৰাজ্যত কোনো ট্ৰাইবেল বেলট ভাঙি দিয়া নহয়, বৰং ৬০০ খন নতুন ট্ৰাইবেল বেল্ট আৰু ব্লক গঠনৰহে প্ৰস্তাৱ দিয়া হৈছে। তেঁও কয় যে

বিষয়টো লৈ অযথা বিতৰ্ক কৰা হৈছে। ৰাজ্য চৰকাৰে জনজাতি সম্প্ৰদায়ৰ উন্নয়নৰ বাবে অহৰ্নিশে কাম কৰি আছে বুলি ড০ **শৰ্মাই** প্ৰকাশ কৰে।

**বাইট ঃ মুখ্যমন্ত্ৰী**

০০০০

সমগ্ৰ দেশত পৰহিলৈ ৭৯ সংখ্যক স্বাধীনতা দিৱস উৎসাহ উদ্দীপনা আৰু দেশভক্তিৰ ভাৱনাৰে উদ্‌যাপন কৰা হ'ব। স্বাধীনতা দিৱসৰ প্ৰাক্‌ক্ষণত দেশৰ বিভিন্ন প্ৰান্তৰ জনসাধাৰণে হৰ ঘৰ তিৰংগা অভিযানত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছে। এই অভিযানৰ অংশ হিচাপে কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে আজি নিজৰ বাসগৃহত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কাইলৈ স্বাধীনতা দিৱসৰ প্ৰাকসন্ধিয়া ৭ বজাত ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দিব। ইয়াৰ পৰিপ্ৰেক্ষিতত  সন্ধিয়া ৭ বাজি ১০ মিনিটত প্ৰচাৰিত অসমীয়া বাতৰি ৭ বাজি ৫০ মিনিটত প্ৰচাৰ কৰা হ'ব। ৰাষ্ট্ৰপতিৰ ভাষণৰ অসমীয়া ভাষান্তৰ নিশা চাৰে ন বজাত প্ৰচাৰ কৰা হ'ব।

স্বাধীনতা দিৱস উপলক্ষে পৰহিলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিল্লীৰ লালকিল্লাৰ প্ৰাচীৰৰ পৰা ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দিব আৰু এই উদ্‌যাপনত ৰাষ্ট্ৰক নেতৃত্ব দিব।

০০০০

যোৱা ২ আগষ্টৰ পৰা কেন্দ্ৰীয় চৰকাৰে আৰম্ভ কৰা **হৰ ঘৰ তিৰংগা** অভিযানৰ অধীনত ৰাজ্যৰ বিভিন্ন জিলাত প্ৰশাসনে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰিছে।  সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত ৰাজ্য চৰকাৰৰ **হৰ ঘৰ তিৰংগা** কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি ত্ৰিৰংগ সমলয় কাৰ্যসূচী, সমদল আদিৰ আয়োজন কৰিছে।

ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত **হৰ ঘৰ তিৰংগা** কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি **ত্ৰিৰংগ সমলয়** কাৰ্যসূচী অনুষ্ঠিত হৈছে। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আজি বিয়লি অনুষ্ঠিত কাৰ্যসূচীত মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে।

গোৱালপাৰা জিলা প্ৰশাসনৰ উদ্যোগত আজি বিভিন্ন চৰকাৰী বিভাগত **হৰ ঘৰ তিৰংগা** কাৰ্যসূচী ৰূপায়ণ কৰা হয়। গোৱালপাৰা পৌৰসভাৰ উদ্যোগত আয়োজিত **হৰ ঘৰ তিৰংগা** কাৰ্যসূচীৰ লগত সংগতি ৰাখি গোৱালপাৰা নগৰৰ মাজেৰে ৰাষ্ট্ৰীয় পতাকা লৈ শোভাযাত্ৰা উলিওৱা হয়। এই শোভাযাত্ৰা জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ খেলপথাৰত সামৰণি পৰে।

হোজাই জিলা প্ৰশাসনৰ উদ্যোগত স্বাধীনতা দিৱসৰ সৈতে সংগতি ৰাখি আজি ত্ৰিৰংগ সমদল উলিওৱা হয়। **হৰ ঘৰ তিৰংগা** সমাৰেশৰ সময়ত হোজাই, ডবকা, লামডিং আৰু লংকা পৌৰসভাই আজি হোজাই নগৰত সজাগতা সভা অনুষ্ঠিত কৰে। এই কাৰ্যসূচীত নগৰখন পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰাখিবলৈ আৰু সমাজখনক প্লাষ্টিকমুক্ত কৰিবলৈ আহ্বান জনোৱা হয়। সজাগতা সভা আৰু ত্ৰিৰংগ পতাকা লৈ শোভাযাত্ৰাত চৰকাৰী, বেচৰকাৰী সংস্থাৰ কৰ্মীৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে।

স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি শিৱসাগৰ জিলা প্ৰশাসনৰ উদ্যোগত আৰু শিৱসাগৰ জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সহযোগত আজি খোজকঢ়া প্ৰতিযোগিতা অনুষ্ঠিত হয়। জ্যেষ্ঠ নাগৰিকৰ মাজত অনুষ্ঠিত এই প্ৰতিযোগিতাখন অতিৰিক্ত জিলা আয়ুক্ত গৌৰী প্ৰিয়া দেউৰীয়ে মুকলি কৰে।

যোৰহাটৰ বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামীয়ে আজি যোৰহাট মণ্ডল সমিতিয়ে আয়োজন কৰা **হৰ ঘৰ তিৰংগা** কাৰ্যসূচীত ভাগ লয়। মণ্ডলটোৰ অন্তৰ্গত আটাইকেইখন পঞ্চায়তৰ পৰা অহা কাৰ্যকৰ্তা সকলে দেশপ্ৰেমমূলক গ্ল'গান দি ত্ৰিৰংগ পতাকা লৈ শোভাযাত্ৰাত অংশগ্ৰহণ কৰে। আনহাতে **হৰ ঘৰ তিৰংগা** কাৰ্যসূচীৰ অংশস্বৰূপে যোৰহাট জিলাৰ অন্তৰ্গত বিভিন্ন পানীযোগান আঁচনিসমূহত জলমিত্ৰ আৰু জল ব্যৱহাৰকাৰী সমিতিৰ বিষয়ববীয়াসকলে আজি ছাফাই কাৰ্যসূচী ৰূপায়ণ কৰে।

**হৰ ঘৰ তিৰংগা** কাৰ্যসূচীৰ অধীনত ডিব্ৰুগড় জিলাত চাইকেল সমদল উলিওৱা হয়। ডিব্ৰুগড় জিলা প্ৰশাসনৰ উদ্যোগত আৰু ডিব্ৰুগড় জিলা ক্ৰীড়া বিভাগৰ সহযোগত আজি অনুষ্ঠিত এই সমদলত বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে।

মাজুলী জিলা বিজেপিৰ নামনি মাজুলী মণ্ডলৰ কাৰ্যকৰ্তাসকলৰ উদ্যোগত আৰু মহিলা মৰ্চা তথা স্থানীয় ৰাইজৰ সহযোগত আজি **হৰ ঘৰ তিৰংগা** কাৰ্যসূচী ৰূপায়ণ কৰা হয়। কাৰ্যসূচী অনুসৰি শতাধিক কৰ্মীয়ে হাতে হাতে ৰাষ্ট্ৰীয় পতাকা লৈ শোভাযাত্ৰা কৰে।

০০০০

স্বাধীনতা দিৱসলৈ মাজত মাত্ৰ এটা দিন বাকী থকা অৱস্থাত বিভিন্ন জিলা প্ৰশাসনে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। আলফা স্বাধীনকে ধৰি কেইবাটাও উগ্ৰপন্থী সংগঠনে এইবাৰ স্বাধীনতা দিৱস বৰ্জনৰ আহ্বান জনোৱাৰ পাছত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। স্বাধীনতা দিৱসৰ সময়ছোৱাত যাতে উগ্ৰপন্থী সংগঠনসমূহে কোনো ধৰণৰ কূটাঘাটমূলক কাৰ্য সংঘটিত কৰিব নোৱাৰে তাৰ বাবে উজনি অসমৰ লগতে গুৱাহাটী মহানগৰী আৰু নামনি অসমৰ বিভিন্ন স্থানত আৰক্ষীয়ে কঠোৰ নিৰাপত্তা ব্যৱস্থা গঢ়ি তুলিছে। প্ৰতিকূল বতৰৰ মাজতো স্বাধীনতা দিৱস উদযাপনৰ বাবে আৰক্ষী, অৰ্ধ-সামৰিক বাহিনী, গৃহৰক্ষী বাহিনীৰ উপৰি স্কাউট গাইডৰ দলে প্ৰতিদিনে পেৰেডৰ অনুশীলন চলাই আছে।

স্বাধীনতা দিৱসৰ পৰিপ্ৰেক্ষিতত কাছাৰ জিলা প্ৰশাসনে সীমান্ত সুৰক্ষা আৰু আইন-শৃংখলা বজাই ৰাখিবলৈ ভাৰত-বাংলাদেশ সীমান্তত যাতায়ত আৰু কিছু পণ্যসামগ্ৰী পৰিবহণৰ ক্ষেত্ৰত পথৰ নিষেধাজ্ঞা আৰোপ কৰিছে। ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ নম্বৰ ধাৰাৰ অধীনত এই নিষেধাজ্ঞা আৰোপ কৰা হৈছে। এই অনুসৰি জিলাখনৰ ভাৰত-বাংলাদেশ সীমান্তৰ ১ কিলোমিটাৰ এলেকাত সূৰ্যাস্তৰ পৰা সূৰ্য উদয়লৈকে কোনো লোকে আহ-যাহ কৰিব নোৱাৰিব। নিশাৰ ভাগত সুৰমা নদীত নাও চলাচলত বাধা আৰোপ কৰা হৈছে। মানকাচৰ-বাংলাদেশ সীমান্তৱৰ্তী বৰাইৰ আলগাতো আৰক্ষীয়ে ব্ৰহ্মপুত্ৰত নাৱেৰে সুৰক্ষা ব্যৱস্থাৰ ওপৰত চোকা দৃষ্টি ৰাখিছে।

স্বাধীনতা দিৱসৰ প্ৰতি লক্ষ্য ৰাখি গোৱালপাৰা জিলা আৰক্ষী প্ৰশাসনেও নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তুলিছে। আৰক্ষীয়ে স্থলপথৰ লগতে জলপথত দিনে-নিশাই তালাচী চলাই আছে। প্ৰতিটো পথত চেকিং চলোৱাৰ লগতে জলপথত যন্ত্ৰচালিত নাও আৰু স্পীড ব'টৰ সহায়ত পহৰা দিয়া পৰিলক্ষিত হৈছে। একেদৰে জিলাখনৰ অসম-মেঘালয় সীমান্তৰ স্পৰ্শকাতৰ এলেকাসমূহতো আৰক্ষীয়ে চোকা দৃষ্টি ৰাখিছে।

০০০০

ৰাজ্যৰ কেইবাখনো জিলাত আজিৰে পৰা এইচ আই ভি বিস্তৃত আই ই চি অভিযান অনুষ্ঠিত হৈছে। দক্ষিণ শালমাৰা মানকাচৰ জিলা স্বাস্থ্য বিভাগৰ উদ্যোগত হাটশিঙিমাৰীত আজি এই অভিযানৰ শুভাৰম্ভ কৰা হয়। উদ্বোধনী অনুষ্ঠানত জিলা আয়ুক্ত ৰাহুল কুমাৰ গুপ্তা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। শুভাৰম্ভ কাৰ্যসূচীৰ অন্তত জিলা আয়ুক্তগৰাকীয়ে এখন আই ই চি বাহন মুকলি কৰে। বাহনখনৰ জৰিয়তে জিলাখনৰ ১২০ খন গাঁৱত এইডছৰ বিৰুদ্ধে সজাগতা অভিযান চলোৱা হ'ব। এই সন্দৰ্ভত জিলা আয়ুক্ত ৰাহুল কুমাৰ গুপ্তাই এইদৰে কয়–-

**বাইট (ৰাহুল কুমাৰ গুপ্তা)**

চৰাইদেউ, পশ্চিম কাৰ্বি আংলং আৰু বিশ্বনাথ জিলাতো এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। চৰাইদেউৰ সোণাৰি মহাবিদ্যালয়ত অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰি জিলা আয়ুক্ত ডাঃ নেহা যাদৱে এখন আই ই চি বাহনৰ ফ্লেগঅফ কৰে। অনুষ্ঠানত ছাত্ৰ-ছাত্ৰী আৰু উপস্থিত কৰ্মচাৰীসকলৰ মাজত নিচামুক্তি শপতবাক্য পাঠ কৰোৱা হয়। পশ্চিম কাৰ্বি আংলঙৰ হামৰেণত জিলা আয়ুক্ত সাৰংগপাণি শৰ্মাই ৬০ দিনীয়া এই সজাগতা কাৰ্যসূচী মুকলি কৰে। ইফালে বিশ্বনাথ জিলাৰ ১২০ খন গাঁৱত এই অভিযান চলিব।

০০০০

যোৱা নিশাৰে পৰা হোৱা নেৰানেপেৰা বৰষুণৰ ফলত ৰাজ্যখনৰ বিভিন্ন অঞ্চল জলমগ্ন হৈ পৰিছে। প্ৰবল বৰষুণৰ ফলত ডিব্ৰুগড়ত ব্ৰহ্মপুত্ৰ খহনীয়াই পুনৰ তীব্ৰ ৰূপ ধাৰণ কৰিছে। মাইজানত খহনীয়াৰ ফলত বহু অঞ্চল ব্ৰহ্মপুত্ৰৰ বুকুত বিলীন গৈছে। কেইবাদিনো ধৰি হোৱা নেৰানেপেৰা বৰষুণৰ ফলত ডিব্ৰুগড় নগৰৰ মাইজান ঠাকুৰবাৰী আৰু বৰশইকীয়াত ব্ৰহ্মপুত্ৰ খহনীয়াই ভয়ংকৰ ৰূপ লৈছে। খহনীয়া ৰোধৰ বাবে ব্যৱস্থা কৰিবলৈ জলসম্পদ বিভাগক স্থানীয় ৰাইজে আহ্বান জনাইছে।

ওদালগুৰি জিলাৰ বিভিন্ন অঞ্চল বাঢ়নী পানীয়ে বুৰাই পেলোৱাত স্বাভাৱিক জীৱন যাত্ৰা বিঘ্নিত হৈছে। জিলাখনৰ গেলাবিল-মাজবাট সংযোগী পথটোৰ এটা অংশ বাঢ়নী পানীয়ে খহাই পেলোৱাত পথটোৰে যাতায়াত বিচ্ছিন্ন হৈছে।

প্ৰবল বৰষুণৰ ফলত গুৱাহাটী মহানগৰীৰ বিভিন্ন অঞ্চল জলমগ্ন হৈ পৰিছে। অনিল নগৰ, ৰুক্মিনীগাঁও, ৰাজগড় আদিকে ধৰি কেইবাটাও অঞ্চল কৃত্ৰিম বানৰ কবলত পৰিছে। গুৱাহাটী পৌৰ নিগমে পানী নিষ্কাষণৰ ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০

ৰাজ্যত আজি পুনৰ দুখন সমজিলা আনুষ্ঠানিকভাৱে সংযোজন কৰা হয়। মন্ত্ৰী পীযুষ হাজৰিকাই আজি শোণিতপুৰ জিলাৰ ৰঙাপৰা সমজিলাৰ আয়ুক্ত কাৰ্যালয় উদ্বোধন কৰে। ৰঙাপৰা সমজিলাৰ আয়ুক্তৰ কাৰ্যালয় মুকলি কৰি মন্ত্ৰী শ্ৰীহাজৰিকাই কয়, যে প্ৰশাসনিক সংস্কাৰৰ দিশত সমজিলাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

আনহাতে তিনিচুকীয়া জিলাৰ ডিগবৈ সমজিলাৰ আয়ুক্তৰ কাৰ্যালয়ো আজি মুকলি কৰা হয়। ডিগবৈ সমজিলাৰ উদ্বোধনী অনুষ্ঠানত মন্ত্ৰী ৰূপেশ গোৱালা মুখ্য অতিথি হিচাপে উপস্থিত থাকে।

০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে গুৱাহাটীত আই আই এম স্থাপনৰ বাবে কেন্দ্ৰীয় মন্ত্ৰীসভাই জনোৱা অনুমোদনৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কৃতজ্ঞতা জনাইছে। আমাৰ পূৰ্বৰ বাতৰিতে কোৱা হৈছে যে,

কেন্দ্ৰীয় মন্ত্ৰীসভাই গুৱাহাটীত ইণ্ডিয়ান ইন্‌ষ্টিটিউট অব্ মেনেজমেণ্ট অৰ্থাৎ আই আই এম স্থাপনৰ বাবে কালি অনুমোদন জনায়। এই প্ৰতিষ্ঠানটো উত্তৰ-পূবৰ দ্বিতীয় আৰু দেশৰ ২২ সংখ্যক আই আই এম হিচাপে পৰিগণিত হ'ব। ইয়াৰ আগেয়ে শ্বিলঙত ২০০৭ চনত আই আই এম প্ৰতিষ্ঠা কৰা হৈছিল। এই প্ৰতিষ্ঠানটো নিৰ্মাণত ৫০০ কোটি টকাৰো অধিক ধন ব্যয় কৰা হ'ব বুলি কেন্দ্ৰীয় চৰকাৰৰ সূত্ৰই প্ৰকাশ কৰিছে। এই পদক্ষেপে গুৱাহাটীত উত্তৰ-পূবৰ শিক্ষাৰ প্ৰাণকেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে। নতুনকৈ প্ৰতিষ্ঠা কৰিবলগীয়া আই আই এমে উত্তৰ-পূৰ্বাঞ্চলত ব্যৱস্থাপনা শিক্ষাৰ দিশত থকা দীৰ্ঘদিনীয়া অভাৱ পূৰণ কৰিব বুলি আশা কৰা হৈছে। প্ৰতিষ্ঠানটোৱে উচ্চমানৰ শিক্ষা আৰু গৱেষণাৰ সুবিধাৰে শিক্ষাৰ্থীসকলক উপকৃত কৰাৰ লগতে উদ্যমিতা আৰু সামৰ্থ বৰ্ধনৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলিও আশা কৰা হৈছে।

০০০০

মুখ্যমন্ত্ৰী ড$^{0}$ হিমন্ত বিশ্ব শৰ্মাই কাইলৈ নলবাৰী জিলা দিৱস উপলক্ষে কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। ইয়াৰে ভিতৰত সপ্তম শতিকাৰ কামৰূপৰ নৃপতি কুমাৰ ভাস্কৰ বৰ্মাৰ নামেৰে নামকৰণ কৰা বৰকুৰাৰ ৰে'ল অভাৰব্ৰীড অন্যতম। ৰাজ্যৰ গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই আজি দুপৰীয়া নলবাৰীত মুখ্যমন্ত্ৰী ভ্ৰমণৰ প্ৰস্তুতিৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে সংশ্লিষ্ট বিভাগৰ বিষয়াসকলৰ সৈতে প্ৰথমে বৰকুৰাৰ ৰে'ল অভাৰব্ৰীজ পৰিদৰ্শন কৰে। পাছত তেওঁ ঘগ্ৰাপাৰত নিৰ্মাণ হ'বলগীয়া আন এখন ৰে'ল অভাৰব্ৰীজৰ ঠাই পৰিদৰ্শন কৰে। কাইলৈ এই অভাৰব্ৰীজখনৰ আধাৰশিলা স্থাপন কৰা হ'ব। পৰিদৰ্শনকালত মন্ত্ৰীগৰাকীয়ে বতৰৰ অনিশ্চয়তালৈ চাই সংশ্লিষ্ট বিভাগৰ বিষয়াবৰ্গক প্ৰয়োজনীয় নিৰ্দেশনা দিয়ে।

০০০০

কামৰূপ জিলাৰ ক্ষেত্ৰীত আজি পুৱা সংঘটিত পথ দুৰ্ঘটনাত ৰহা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ গজেন্দ্ৰ মোহন দেৱ শৰ্মা আৰু তেওঁ পত্নীৰ মৃত্যু হয়। দুৰ্ঘটনাত তেওঁলোকৰ ৮ বছৰীয়া কন্যাও আহত হয়। বৰ্তমান গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত কন্যাগৰাকী চিকিৎসাধীন হৈ আছে। ইপিনে আজি বিয়লি দেৱ শৰ্মা আৰু তেওঁৰ পত্নীৰ মৃতদেহ দৰং জিলাৰ মঙলদৈৰ নিকটৱৰ্তী মেনাপাৰা বাসগৃহলৈ নিয়াৰ সময়ত শোকাকুল পৰিৱেশে বিৰাজ কৰে।

০০০০

বিটিচি পৰিষদীয় নিৰ্বাচনৰ বাবে ৰাজ্যিক নিৰ্বাচন আয়োগে আজি বিটিচিৰ ৫ খন জিলাৰ চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰিছে। চিৰাং, কোকৰাঝাৰ, বাক্সা, তামুলপুৰ আৰু ওদালগুৰি জিলাৰ ফটো সম্বলিত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হয়। ইপিনে চিৰাং জিলাৰ অন্তৰ্গত ৭টা পৰিষদীয় সমষ্টিৰ চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হয়। কাজলগাঁৱৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত ৰাজনৈতিক দলৰ প্ৰতিনিধি আৰু সংবাদ মাধ্যমৰ উপস্থিতিত জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া যতীন বৰাই আনুষ্ঠানিকভাৱে ফটো সম্বলিত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰে। এইবাৰ চিৰাং জিলাৰ ৭টা পৰিষদীয় সমষ্টিৰ মুঠ ভোটাৰৰ সংখ্যা হৈছে ৩ লাখ ৯৮ হাজাৰ ৬৪৩ গৰাকী। ইয়াৰে এক লাখ ৯৮ হাজাৰ ৩৩২ জন হৈছে পুৰুষ ভোটাৰ। মহিলা ভোটাৰৰ সংখ্যা ২ লাখ ৩০৯ গৰাকী বুলি জিলা আয়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি জনতা ভৱনত চাওতালী  সাহিত্য পৰিষদৰ প্ৰতিনিধিবৰ্গৰ সৈতে বুনিয়াদি স্তৰত চাওতালী ভাষাত শিক্ষাদান সন্দৰ্ভত আলোচনা কৰে। বৈঠকত এশ শতাংশ ছাত্ৰ-ছাত্ৰী থকা ৩৩৭ খন  প্ৰাথমিক  বিদ্যালয়ৰ তালিকা পৰ্যালোচনা কৰি এই শিক্ষানুষ্ঠানসমূহত চাওতালী ভাষাত শিক্ষাদান সুনিশ্চিত কৰিবলৈ উপযুক্ত শিক্ষক-শিক্ষয়িত্ৰীৰ বাচনি, প্ৰশিক্ষণ আৰু আনুসংগিক প্ৰস্তুতিৰ বিষয়ে আলোচনা কৰা হয়। অসম ৰাজ্যিক  পাঠ্যপুথি প্ৰনয়ন আৰু প্ৰকাশন নিগমে ইতিমধ্যে বুনিয়াদি স্তৰৰ শিক্ষাৰ্থীসকলৰ উপযোগীকৈ অলচিকি লিপিত পাঠ্যপুথি প্ৰকাশ কৰিছে।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই স্বাধীনতাৰ ৭৮ বছৰ পূৰ্ণ হোৱা উপলক্ষে প্ৰচাৰ কৰি অহা অনুষ্ঠানমালাৰ অংশ হিচাপে অহা ১৬ আগষ্ট শনিবাৰে নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। **"স্বাধীনতাৰ প্ৰত্যাশা-কি পালো, কি নাপালো"** শীৰ্ষক এই অনুষ্ঠানত ৰাজ্যখনৰ বিভিন্ন স্থানৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে স্বৰাজোত্তৰ কালৰ অভিজ্ঞতা ব্যক্ত কৰিব। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০

অসমে উত্তৰ প্ৰদেশত অনুষ্ঠিত ল'ৰা আৰু ছোৱালীৰ ১৫ বছৰ অনুৰ্ধ ছাব জুনিয়ৰ ৰাষ্ট্ৰীয় বক্সিং প্ৰতিযোগিতাত এটা সোণ, দুটা ৰূপ আৰু চাৰিটা ব্ৰঞ্জসহ মুঠ ৭ টা পদক অৰ্জন কৰিছে। আজি সামৰণি পৰা এই প্ৰতিযোগিতাৰ ৩৭ ৰ পৰা ৪০ কিলোগ্ৰাম ওজন শাখাত প্ৰিয়াক্ষী গগৈয়ে তামিলনাডুৰ এছ্ সাৰথ তামিলক ৫-০ পইণ্টত পৰাভূত কৰি সোণৰ পদক অৰ্জন কৰে। নেহা প'ৰদেলে হাৰিয়ানাৰ জিবিকাৰ হাতত ৫-০ ফলাফলত পৰাভূত হৈ ৰূপৰ পদক লাভ কৰে। একেদৰে ল'ৰাৰ ৬১ ৰ পৰা ৬৪ কিলোগ্ৰাম ওজন শাখাত কনকন কিযণে উত্তৰাখণ্ডৰ মনিষ কাৰংগৰ হাতত ৫-০ ফলাফলত পৰাজিত হৈ ৰূপৰ পদকত সন্তুষ্ট থাকিবলগীয়া হয়। ছোৱালীৰ শাখাত কস্তুৰি গগৈ আৰু জুলি দলে ব্ৰঞ্জৰ পদক হস্তগত কৰে। ল'ৰাৰ শাখাত মহম্মদ জয়ান আহমেদ আৰু মিলিন্দ কাশ্যপ বৰাই নিজ নিজ শাখাত ব্ৰঞ্জৰ পদক লাভ কৰি ৰাজ্যলৈ গৌৰৱ কঢ়িয়াই আনে।

০০০০

বাক্সা জিলাৰ ককলাবাৰী পৰিষদীয় সমষ্টিত ৫০ লাখ টকা ব্যয়ৰে নিৰ্মাণ কৰা দুখন আদৰ্শ বিদ্যালয়ৰ গৃহ আজি উদ্বোধন কৰা হয়। ককলাবাৰী পৰিষদীয় সমষ্টিৰ পাৰিষদ মণ্টু বড়োৱে গৃহ দুটা উদ্বোধন কৰে। অঞ্চলী চৰকাৰী মজলীয়া বিদ্যালয় আৰু দৈচাগুৰি আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ গৃহ দুটা মুকলি কৰা হয়।

০০০০

সমাপ্ত